অধ্যায় ৮ ঃ অসমৰ প্ৰাচীন ধৰ্মীয় পৰম্পৰা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ ধৰ্ম আৰু সংস্কৃতি
৮.৪ অসমত শৈৱ ধৰ্মৰ পৰম্পৰা
৮.৫ শিৱৰ সহস্ৰ নাম আৰু উপাসনা পদ্ধতি
৮.৬ অসমত শাক্ত ধৰ্মৰ পৰম্পৰা
৮.৭ দেৱীৰ বিভিন্ন ৰূপ
৮.৮ জনজাতীয় আৰু আহোম সমাজত শৈৱ ধৰ্ম
৮.৯ অসমত বৈষ্ণৱ ধৰ্মৰ পৰম্পৰা
৮.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.১১ অধিক জানিবলৈ
৮.১২ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৮.১৩ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমৰ ধৰ্মীয় পৰম্পৰাৰ বিষয়ে সামগ্ৰিকভাৱে মূল্যায়ন আগবঢ়াব পাৰিব
- অসমত শৈৱ ধৰ্মৰ প্ৰাচীনত্ব আৰু জনপ্ৰিয়তাৰ আভাস দিব পাৰিব
- বৈষ্ণৱ আৰু শৈৱ ধৰ্মৰ লগতে শাক্ত ধৰ্মৰ ইতিহাস তথা পৰম্পৰাৰ বিষয়ে বিশ্লেষণ আগবঢ়াব পাৰিব
- শৈৱ আৰু শাক্ত ধৰ্মৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে অৱগত হ'ব পাৰিব।
- অসমত বৈষ্ণৱ ধৰ্মৰ পৰম্পৰা সম্পৰ্কে অৱগত হ'ব

৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি অসমীয়া সংস্কৃতিলৈ মুছলমানসকলে আগবঢ়োৱা অৱদানৰ বিষয়ে কৰা আলোচনা পঢ়িবলৈ পালোঁ। এই অধ্যায়টিত আমি অসমৰ প্ৰাচীন ধৰ্মীয় পৰম্পৰাৰ কথা আলোচনা কৰিম।

অসমত শৈৱ, শাক্ত আৰু বৈষ্ণৱ এই তিনিটা ধৰ্মীয় পৰম্পৰাৰ ইতিহাস অতি পুৰণি। অতি প্ৰাচীন কালৰে পৰা এই তিনিটা ধৰ্ম সমান্তৰালভাৱে চলি আহিছে। এই অধ্যায়টিত এই

তিনিওটা ধৰ্মীয় পৰম্পৰা সম্পৰ্কে আলোকপাত কৰা হৈছে। অধ্যায়টিৰ অধ্যয়নে আপোনাক অসমত প্ৰচলিত প্ৰাচীন ধৰ্মীয় দিশবোৰৰ লগত পৰিচয় কৰাই দিব।

৮.৩ ধৰ্ম আৰু সংস্কৃতি

সংস্কৃতিৰ লগত ধৰ্মৰ সম্পৰ্ক অতি গভীৰ তথা অবিচ্ছেদ্য। বহল অৰ্থত ধৰ্মও সংস্কৃতিৰ অন্তৰ্গত বা ধৰ্ম সংস্কৃতিৰ এটা উপাদান। অসমৰ ধৰ্ম-দৰ্শন, সভ্যতা-সংস্কৃতি আদি মূলতঃ ভাৰতীয় ঐতিহ্য আৰু সভ্যতা-সংস্কৃতিৰেই এক অবিচ্ছেদ্য অঙ্গ। বিশিষ্ট পণ্ডিত মেক্সমুলাৰৰ মতে ভাৰতৰ জনসাধাৰণৰ মনত ধৰ্মই এক ব্যাপক স্থান অধিকাৰ কৰি আহিছে। ধৰ্ম অকল পূজা-আৰাধনা পদ্ধতিতেই সীমিত নহয়, মানুহৰ চিন্তা আৰু কৰ্ম যিদৰে ধৰ্মৰ অনুশাসনৰ অন্তৰ্ভুক্ত, তেনেকৈ দৰ্শন, নৈতিক পদ্ধতি, আইন, ৰাজ্যশাসন আদি সকলোবোৰৰ ওপৰতেই ধৰ্মৰ প্ৰগাঢ় প্ৰভাৱ আছে। অতি প্ৰাচীন কালৰে পৰা ভাৰত তথা অসমৰ সাংস্কৃতিক জীৱন আৰু চিন্তাধাৰাত ধৰ্মই যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰি আহিছে। অতীতৰ পৰাই সদৌ ভাৰততেই চিন্তাধাৰা আৰু ধৰ্ম-সংস্কৃতিৰ উৎস বেদ বুলি প্ৰতিপন্ন হৈছে। বেদত অগ্নি, মিত্ৰ, বৰুণ, ইন্দ্ৰ, আকাশ, বায়ু, ঊষা আদি যিবোৰ দেৱ-দেৱীৰ উল্লেখ আছে, সেইবোৰক ক্ৰমে বিশেষ দেৱ-দেৱী ৰূপে অভিহিত কৰি পূজা আৰাধনা কৰা হয়। আধুনিক অসমত প্ৰচলিত হিন্দু ধৰ্ম-প্ৰাচীন অসমত প্ৰচলিত নানা আৰ্য্য-অনাৰ্য্য ধৰ্মৰ সৰ্বাত্মকবাদী বিশ্বাস, প্ৰতীক পূজা আদি ধৰ্মীয় বিশ্বাসৰ মাজতেই প্ৰতিষ্ঠা লাভ কৰিছে। শাক্ত, শৈৱ, বৈষ্ণৱ, শিখ, জৈন, বৌদ্ধ, ইছলাম আদি ধৰ্মৰ সংগমভূমি হিচাপে বিবিধ ধৰ্মীয় সম্প্ৰদায়ৰ থকা সাম্যভাব আৰু সহিষ্ণুতাই বৃহত্তৰ অসমীয়া সংস্কৃতিক সুকীয়া আয়তন প্ৰদান কৰিছে। ধৰ্মীয় বান্ধোন বা সমন্বয়ে এটা জাতিৰ সংস্কৃতি বুনিয়াদ সুদৃঢ় কৰি গঢ়ি তোলে। ইয়ে প্ৰমাণ কৰে যে ধৰ্মৰ লগত সংস্কৃতিৰ সম্বন্ধ অতি ঘনিষ্ঠ তথা এৰাব নোৱাৰা।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে, অসমত শৈৱ, শাক্ত আৰু বৈষ্ণৱ এই তিনিটা ধৰ্মীয় পৰম্পৰাৰ ইতিহাস অতি পুৰণি। অতি প্ৰাচীন কালৰে পৰা এই তিনিটা ধৰ্ম সমান্তৰালভাৱে চলি আহিছে। মূলতঃ শিৱ, শক্তি আৰু বিষ্ণু এই তিনি গৰাকী উপাস্য দেৱ-দেৱীক ভিত্তি কৰি এই তিনিটা ধৰ্মীয় পৰম্পৰাৰ সূত্ৰপাত হৈছে। শিৱক উপাস্য হিচাপে উপাসনা কৰা ধৰ্মীয় পৰম্পৰাটোক শৈৱ (শিৱ/শৈৱ), বিষ্ণুক উপাস্য দেৱতা হিচাপে উপাসনা কৰা পৰম্পৰাটোক বৈষ্ণৱ (বিষ্ণু/ বৈষ্ণৱ) আৰু শক্তিক অৰ্থাৎ দেৱীক উপাস্য হিচাপে গ্ৰহণ কৰি উপাসনা কৰা ধৰ্মীয় পৰম্পৰাটোক শাক্ত (শক্তি/শাক্ত) ধৰ্মীয় পৰম্পৰা বুলি অভিহিত কৰা হয়। এই তিনিওটা ধৰ্মক লৈ অসমত বিভিন্ন প্ৰকাৰৰ উপাসনা পদ্ধতি গঢ় লৈ উঠিছে। তেনেদৰে এই ধৰ্মীয় পৰম্পৰাৰ আধাৰত অসমত একশ্ৰেণী সাহিত্যও ৰচিত হৈছে। এই অধ্যায়ত বৈষ্ণৱ, শৈৱ আৰু শাক্ত ধৰ্মই অসমত কেনেদৰে গা কৰি উঠিছিল আৰু কেনেদৰে ই আজিও এটা পৰম্পৰা হিচাপে জীয়াই আছে তাৰ আভাস দিবলৈ প্ৰয়াস কৰা হ'ব।

৮.৪ অসমত শৈৱ ধৰ্মৰ পৰম্পৰা

হিন্দু ধৰ্মৰ প্ৰাচীন তথা প্ৰধান দেৱতাসকলৰ ভিতৰত শিৱ অন্যতম। এই ধৰ্মটিৰ প্ৰাচীনত্বৰ প্ৰমাণ শিলালিপি, তামৰ ফলি, প্ৰাচীন স্থাপত্য-ভাস্কৰ্য আৰু বিভিন্ন গ্ৰন্থৰ পৰা পাব পাৰি। সেই সময়ৰ আৰ্য আৰু অনাৰ্য উভয় সমাজতে শৈৱ ধৰ্মই বিপুলভাৱে জনপ্ৰিয়তা অৰ্জন কৰিছিল বুলি বাণীকান্ত কাকতিয়ে তেওঁৰ *দা মাডাৰ গডেছ কামাখ্যা* নামৰ গ্ৰন্থত উল্লেখ কৰিছে। 'কালিকা পুৰাণ'ৰ মতে শিৱৰ ক্ষেত্ৰৰ সংখ্যা আন আন দেৱ-দেৱীৰ সংখ্যাতকৈ অধিক। পশ্চিমে কৰতোয়া নদীৰ পাৰৰ মহা বৃক্ষলিঙ্গৰ পৰা আৰম্ভ কৰি পূৱৰ বুঢ়ীগঙ্গা নদীৰ পাৰৰ বিশ্বনাথ শিৱৰ ক্ষেত্ৰলৈকে শিৱৰ ক্ষেত্ৰৰ সংখ্যা পোন্ধৰ। তাৰ তুলনাত বিষ্ণুৰ ক্ষেত্ৰৰ সংখ্যা চাৰি আৰু দেৱীৰ ক্ষেত্ৰৰ সংখ্যা পাঁচ। ইয়ে প্ৰমাণ কৰে যে সেই সময়ত দেৱতা হিচাপে শিৱ বেছি জনপ্ৰিয় আছিল।

অসমত শৈৱ ধৰ্মৰ প্ৰাচীনত্বৰ প্ৰমাণ আমি মহাভাৰততে দেখিবলৈ পাওঁ। মহাভাৰতত সেই সময়ৰ প্ৰাগ্‌জ্যোতিষপুৰৰ ৰজা ভগদত্তক শিৱৰ সখা বুলি আখ্যা দিয়া হৈছে। আনহাতে, নিধনপুৰৰ তাম্ৰ শাসনৰ পৰা জনা যায় যে সপ্তম শতিকাৰ কামৰূপৰ প্ৰবল প্ৰতাপী ৰজা ভাস্কৰ বৰ্মা শৈৱ আছিল। এই একেই প্ৰসঙ্গত সপ্তম শতিকাত ভাৰতলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ মন্তব্য প্ৰণিধানযোগ্য। হিউৱেন চাঙৰ মতে, ভাস্কৰ বৰ্মাৰ দিনত প্ৰাগজ্যোতিষপুৰত বহু হিন্দুৰ দেৱ-দেৱীৰ মন্দিৰ আছিল আৰু সেইবোৰৰ ভিতৰত শিৱ মন্দিৰৰ সংখ্যাই আছিল বেছি। বাণীকান্ত কাকতিৰ মতেও আন আন দেৱ-দেৱীৰ মঠ-মন্দিৰৰ তুলনাত শিৱৰ মঠ-মন্দিৰৰ সংখ্যা অনেক বেছি। আনকি আধুনিক অসমতো শিৱৰ মঠ-মন্দিৰৰ সংখ্যাই অন্য দেৱ-দেৱীৰ মন্দিৰক চেৰ পেলাইছে।

হায়ুংথল লিপি আৰু তেজপুৰৰ তাম্ৰশাসনে প্ৰমাণ কৰে যে নৱম শতিকাৰ কামৰূপৰ ৰজা ক্ৰমে হৰ্জৰ বৰ্মা, বনমাল বৰ্মা শিৱ ভক্ত আছিল। বনমাল বৰ্মাই শিৱক উপাসনা কৰাৰ উপৰি এটা শিৱ মন্দিৰ নিৰ্মাণ কৰাই দিছিল। গুৱাহাটী ফলিৰ পৰা জানিব পাৰি যে দ্বাদশ শতিকাৰ ৰজা ইন্দ্ৰপালে শিৱ আৰু গিৰিজা দুয়োকে ভক্তি কৰিছিল। একেদৰে ইন্দ্ৰপালৰ নাতি ধৰ্মপালৰ তামৰ ফলিত অৰ্দ্ধ-নাৰীশ্বৰ মূৰ্তি অঙ্কিত আছিল। ইয়ে প্ৰমাণ কৰে ধৰ্মপালৰ দিনতো শিৱৰ প্ৰাধান্য আছিল।

দশম-একাদশ শতিকাত ৰচিত *কালিকা পুৰাণৰ* মতে, নৰকাসুৰৰ আগলৈকে কামৰূপ ৰাজ্যখন শিৱই নিজৰ কাৰণে ৰাখিছিল। মিথিলাৰ পৰা বিষ্ণুৰ আদেশত প্ৰাগজ্যোতিষলৈ আহি নৰকাসুৰে ৰাজত্ব কৰাৰ পূৰ্বৰেপৰা শিৱই নিজৰ লীলাভূমি ৰূপে ৰাখিছিল—

নিমজ্য ক্ষণমাত্ৰেণ প্ৰাগজ্যোতিষপুৰং গতঃ
মধ্যগং কামৰূপস্য কামাখ্যা যত্ৰ নায়িকা।।
স চ দেশাঃ স্ববাজার্থে পূৰ্ব গুপ্তসচ সম্ভুনা।

নৰকাসুৰে ঐকান্তিকভাৱে কামাখ্যা পূজাত লগাৰ আগতে এই দেশৰ অধিবাসী কিৰাতসকলে শিৱক পূজা-পাতল দি উপাসনা কৰি আছিল। সেই সময়ত কিৰাতসকলৰ অধিপতি

আছিল ঘটক। কিৰাতসকল শম্ভু অৰ্থাৎ শিৱৰ আশ্ৰিত আছিল। গতিকে শিৱৰ অনুমতি লৈহে নৰকাসুৰে সেইসকলক পূৰ্ব দিশৰ ললিতা-কান্তাক সীমা কৰি সাগৰৰ পাৰত বহুৱাইছিল। নৰকাসুৰে প্ৰাগজ্যোতিষৰ ৰাজ্যভাৰ লৈয়েই কামাখ্যাৰ বাহিৰে আন দেৱতাক পূজা কৰাটো নিষেধ কৰিলে। ফলত প্ৰাচীন কামৰূপত প্ৰকাশ্যে শিৱ উপাসনাৰ অৱসান ঘটে। তথাপি অসমত গোপনে শৈৱ ধৰ্ম থাকি গ'ল — "অন্তৰ্গুপ্তঃ স মে পুৰে।" নৰকাসুৰৰ ৰাজত্বকালতেই বশিষ্ঠ মুনিয়ে সন্ধ্যাচলত শিৱক আৰাধনা কৰিছিল।

সন্ধ্যাচলে তত্ৰ মুনিৰাৰাধয়তি শঙ্কৰম্।
ৱশিষ্ঠো ব্ৰহ্মণঃ পুত্ৰস্তং খুৱামনুগচ্ছতম্।।

নৰকৰ মৃত্যুৰ পিছত প্ৰাচীন কামৰূপত শিৱ-উপাসনা বামাচাৰ ৰীতিৰ লগত সংমিশ্ৰিত হৈছিল। এই দেশৰ খিলঞ্জীয়া অধিবাসী আৰু নব্য অধিবাসী আৰ্যসকলেও বামাচাৰ মাৰ্গী শিৱ-উপাসনা কৰিছিল। তান্ত্ৰিক বৌদ্ধধৰ্মত স্থান লাভ কৰা অপৰাজিতা আৰু উগ্ৰতাৰাই শিৱৰ লগত একীভূত হৈ পৰিছিল আৰু শিৱৰ মঠ-মন্দিৰবোৰত এওঁলোকৰ গুপ্ত উপাসনা চলিছিল।

সেই সময়ৰ শোণিতপুৰৰ ৰজা বাণ শিৱ ভক্ত আছিল আৰু শিৱৰ বৰত তেওঁ অপ্ৰতিদ্বন্দ্বী বীৰ হৈ উঠিছিল। আনকি বাণৰ ভক্তিত সন্তুষ্ট হৈ শিৱ-পাৰ্বতীয়ে তেওঁক পুত্ৰ ৰূপে গ্ৰহণ কৰিছিল। সেইবাৰে ভক্ত বাণাসুৰৰ ৰক্ষাৰ বাবে ত্ৰিশূলধাৰী শিৱই শ্ৰীকৃষ্ণৰ বিপৰীতে যুদ্ধত অৱতীৰ্ণ হৈছিল। ইয়াৰ পৰা নৰকাসুৰৰ পূৰ্ৱৱৰ্তী বা সমসাময়িক কালতো যে অসমত শৈৱ ধৰ্মৰ প্ৰচলন আছিল, সেই কথা সহজে অনুমান কৰিব পাৰি।

কোচ নৃপতিসকল নিষ্ঠাবান শৈৱ আছিল। জনশ্ৰুতি মতে, কোচ বংশ আৰু কোচ ৰাজ্য প্ৰতিষ্ঠাতা প্ৰথম নৃপতি বিশ্বসিংহ শিৱ-বীৰ্য্য সম্ভূত। অৰ্থাৎ বিশ্বসিংহ শিৱৰ ঔৰসজাত। এওঁ কমতেশ্বৰী দেৱীৰ মন্দিৰৰ উত্তৰ দিশত অৱস্থিত শিৱ-বানেশ্বৰৰ থানত শিৱ-শঙ্কৰক পূজিছিল। বিশ্বসিংহৰ পুত্ৰ মহাৰাজ নৰনাৰায়ণ নিশ্চিতভাৱে দেৱী কামাখ্যাৰ উপাসক। কিন্তু শিৱৰ প্ৰতিও তেওঁৰ অগাধ ভক্তি আছিল। অসম ৰাজ্য সসৈন্যে আক্ৰমণ কৰিবলৈ যাত্ৰা কৰি প্ৰথম নিশা সদাশিৱৰ দ্বাৰা স্বপ্নাদিষ্ট হৈ নৰনাৰায়ণে সোণকোষ নদীৰ পাৰত জনজাতীয় ৰীতিৰে শিৱক পূজা কৰিছিল। ভৱেন নাৰ্জিৰ মতে নৰনাৰায়ণে জনজাতীয় নিয়ম মতে কৰা এই শিৱ পূজাই 'বাথৌ খেৰাই' পূজা। 'A History of Assam' প্ৰণয়ন কৰা এডৱাৰ্ড গেইটৰ মতে মহাৰাজ নৰনাৰায়ণে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে জনজাতীয় নিয়মে শিৱ-পূজা কৰা ৰীতিক লিখিত তথা বিধিসন্মতভাৱে স্বীকৃতি দিছিল। এই প্ৰসঙ্গত গেইটে কৈ গৈছে— "This tribal mode of worship was recognised and legalised by the king by the issue of an edict which set aside the north bank of the Brahmaputra river for the practice of aboriginal forms of worship." কোচ নৃপতিসকল যে শিৱৰ উপাসক আছিল তাৰ স্পষ্ট সঙ্কেত পোৱা যায় তেওঁলোকৰ মুদ্ৰাত উৎকীৰ্ণ বিশেষণৰপৰা— "শ্ৰীশ্ৰী শিৱকৰণ-কমল-মধুকৰ"। আনহাতে, গুৰু চৰিতৰ পৰা জানিব পাৰি যে শঙ্কৰদেৱে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ আগতে কামৰূপৰ লোকে হৰিক পূজা নকৰি কাছ আৰু ছাগলীৰে ভৈৰৱ ৰূপী শিৱক

পূজা কৰিছিল। সূর্যখড়ি দৈৱজ্ঞৰ 'দৰং ৰাজবংশাৱলী'ৰ মতে কোচ ৰজাসকল শিৱৰ বংশধৰ আছিল। এই কোচ ৰজাসকলে কেনেকৈ হিন্দু মতে আৰু জনজাতীয় মতে শিৱক পূজা কৰিছিল তাৰ উল্লেখ আছে।

অসমৰ বিভিন্ন ঠাইত সিচঁৰতি হৈ থকা শিৱ মূৰ্তি আৰু লিঙ্গবোৰেও অসমৰ শৈৱ ধৰ্মৰ প্ৰাচীনত্ব তথা জনপ্ৰিয়তাৰ ইঙ্গিত বহন কৰে। পুৰণি কালত শৈৱ ধৰ্মই এনেকৈ বিস্তাৰ লাভ কৰিছিল যে শঙ্কৰদেৱৰ সময়ত আৰু তেওঁৰ পৰৱৰ্তী কালতো শৈৱ ধৰ্ম তথা দেৱতা শিৱৰ প্ৰতি মানুহৰ শ্ৰদ্ধা অকণো কমা নাছিল। কেইবাখনো চৰিত পুথিৰ পৰা জানিব পাৰি যে কুসুম্বৰ ভূঞাই শঙ্কৰক (শিৱক) পূজিহে পুত্ৰ শঙ্কৰক লাভ কৰিছিল। কুসুম্বৰ ভূঞাৰ বহু দিনলৈ কোনো সতি-সন্ততি নাছিল। শেষত তেওঁ পুত্ৰ লাভৰ কাৰণে শিৱক আৰাধনা কৰিছিল। ভূঞাৰ আৰাধনা তথা ভক্তিত সন্তুষ্ট হোৱাৰ ফলত তেওঁ পুত্ৰ সন্তান লাভ কৰিছিল। সেইবাবে কুসুম্বৰ ভূঞাই দেৱতা শিৱৰ নামেৰে-পুতেকৰ নাম ৰাখিলে শঙ্কৰ। এইবোৰে প্ৰমাণ কৰে যে শঙ্কৰদেৱৰ গাতো দেৱতা শিৱৰ প্ৰভাৱ আছে। সেই বাবে ৰাম ৰায়ৰ 'গুৰুলীলা'ত শঙ্কৰদেৱক শিৱৰ অৱতাৰ বোলা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমত প্ৰাচীন কালৰ পৰা চলি অহা শৈৱ ধৰ্মৰ পৰম্পৰাৰ বিষয়ে চমুকৈ লিখক (১৫০টা শব্দৰ ভিতৰত লিখক)

৮.৫ শিৱৰ সহস্ৰ নাম আৰু উপাসনা পদ্ধতি

হিন্দু দেৱ-দেৱীসকলক প্ৰায়ে একাধিক নামেৰে জনা যায়। তাৰে ভিতৰত শিৱ আৰু কৃষ্ণৰ নামৰ সংখ্যা আটাইতকৈ বেছি। শিৱৰ অনেক নাম। সেই নামবোৰ হ'ল— হৰ, শঙ্কৰ, মহাদেৱ, মহেশ, দেৱাদিদেব, দেবেশ, সুৰেশ্বৰ, মহেশ্বৰ, বিশ্বনাথ, বিশ্বেশ্বৰ, পশুপতি, ব্যোমকেশ, ত্ৰিনয়ন, ত্ৰিলোচন, শম্ভু, নীলকণ্ঠ, নীলগ্ৰীৱ, দিগম্বৰ, ভোলা, ভোলানাথ, আশুতোষ, পিনাকী, পিনাকপাণি, কৈলাসপতি, কৈলাসনাথ, ৰুদ্ৰ, পঞ্চানন, ইন্দ্ৰভূষণ, ইন্দ্ৰথৌলি, চন্দ্ৰচূড়, চন্দ্ৰশেখৰ, শশীভূষণ, জটাধৰ, জটাধৰি, ডম্বৰুধৰ, মৃত্যুঞ্জয়, অজ, ত্ৰিপুৰাৰ, কেদাৰ, ঈশান, প্ৰমথেশ, প্ৰসন্ননাথ, বিৰূপাক্ষ, শূলী, শূলপাণি, ত্ৰিশূলী, ত্ৰিশূলধাৰী, নটৰাজ, ভৱেশ, বানেশ্বৰ, কাশীনাথ, কাশীপতি, কাশীশ্বৰ, কাশীশ, যোগীন্দ্ৰ, যোগেশ্বৰ, যোগেশ, বীৰেশ্বৰ, একনাথ, মহানট, নটেশ্বৰ, ভৱ, দুৰ্গাপতি, দুৰ্গাধীশ, দুৰ্গেশ, দুৰ্গেশ্বৰ, সতীশ, সতীন্দ্ৰ, সতীপতি, অম্বিকানাথ, উমেশ, উমানাথ, উমাপতি, ভৱানীকান্ত, ভৱানীপতি, গিৰিজাকান্ত, উমানন্দ, বিশ্বেশ্বৰ, ভূতনাথ, ভুতভাৱন, মৃগাংমৌলি, মৃগাঙ্ক, মৃগাংকশেখৰ, ত্ৰিপুৰঘ্ন, কৃতম্বৰ, ৰামেশ্বৰ, তাৰকনাথ, তাৰকেশ্বৰ, ত্ৰিনেত্ৰ, ধূৰ্জতি, গংগাধৰ, গিৰীশ, অদ্ৰীশ, অদ্ৰিনাথ, সিদ্ধদেৱ, পুৰুহৰ, পুৰভিদ, পুৰমথন, পুৰজিৎ,

অঘোৰ, ফণীধৰ, ফণীভূষণ, উৰগভূষণ, অনঙ্গ, অনঙ্গাৰি, হিৰণ্যনেতাঃ, বহ্নিৰেতাঃ, ত্ৰিনাথ, বিভূতিভূষণ, মাৰজিৎ, স্মৰজিৎ, চন্দ্ৰিল, নটশেখৰ, খণ্ডপৰশু, কন্দুকেশ্বৰ, জ্বালী, জল্পেশ্বৰ, গৌৰীনাথ, গৌৰীশ্বৰ, নন্দেশ্বৰ, ভৃঙ্গেশ্বৰ, হিংগুলেশ্বৰ, বুঢ়াগোঁসাই আদি।

শিৱৰ যেনেকৈ বিভিন্ন নাম আছে, তেনেকৈ তেওঁৰ বিভিন্ন ৰূপৰো কল্পনা কৰা হৈছে। কেতিয়াবা তেওঁ ভঙুৱা, কেতিয়াবা কৃষক, কেতিয়াবা হলাহল পান কৰা নীলকণ্ঠ, কেতিয়াবা সংহাৰকৰ্তা, কেতিয়াবা প্ৰাণদাতা, কেতিয়াবা ৰুদ্ৰ, কেতিয়াবা পৰম বৈষ্ণৱ, কেতিয়াবা কামুক, কেতিয়াবা পৰম সাধক, কেতিয়াবা নৃত্য বিশাৰদ। অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা শিৱৰ বিভিন্ন ভঙ্গীৰ মূৰ্তি আৰু লিঙ্গৰোৰে তাৰ ইঙ্গিত বহন কৰি আছে।

শিৱক সন্তুষ্ট কৰিবলৈ দুই ধৰণে ভোগ বা প্ৰসাদ তৰ্পণ কৰা হয়। সাধাৰণতে যিবোৰ মন্দিৰত শিৱক অকলে পূজা কৰা হয়, তাত নিৰামিষ ভোগ চলে। আনহাতে, যিবোৰ মন্দিৰত শিৱৰ লগতে শক্তিকো পূজা দিয়া হয় তাত আমিষ ভোগ চলে। শিৱ চতুৰ্থীৰ দিনা ছাগলী বলি দিয়াৰ প্ৰথা তাহানিৰ পৰা চলি আহিছে। এনেদৰে শিৱৰ মন্দিৰবোৰত প্ৰচলন থকা নটীৰ নাচ প্ৰথা বা দেৱদাসী নৃত্য প্ৰথা মন কৰিবলগীয়া বিশেষত্ব। এসময়ত দেৱদাসী বা নটী নাচ শিৱ মন্দিৰবোৰত ধৰ্মীয় উপাসনাৰ এটা পদ্ধতি আছিল। অৰ্থাৎ এই প্ৰথা ধৰ্মৰ এক অঙ্গ আছিল। বৰ্তমানে নানা কাৰণত এই প্ৰথা উঠি গ'ল। কিন্তু এসময়ত কামৰূপৰ পৰিহৰেশ্বৰ দেৱালয়, বিশ্বনাথ মন্দিৰ আৰু শিৱসাগৰৰ শিৱ দৌলৰ নটীৰ কথা সৰ্বজনবিদিত। আহোম ৰজা শিৱ সিংহৰ মহিষী ফুলেশ্বৰী নেঘেৰীটিং শিৱদৌলৰ নটীহে আছিল। গতিকে দেখা যায় যে লিঙ্গ পূজা, নিৰামিষ ভোগ, নটীনাচ আদি শৈৱ ধৰ্মৰ উপাসনা পদ্ধতিৰ একো-একোটা অঙ্গ আছিল। তাৰ লগতে অতি প্ৰাচীন কালৰে পৰা বৰ্তমানলৈকে পূজা-পাতল, বলিবিধান আদিও চলি থকা দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ শিৱৰ সহস্ৰ নামৰ ভিতৰত কেইটামান নাম উল্লেখ কৰক। শিৱক কি কি পদ্ধতিৰে উপাসনা কৰা হয় চমুকৈ লিখক।

(১৫০টা শব্দৰ ভিতৰত লিখক)

৮.৬ অসমত শাক্ত ধৰ্মৰ পৰম্পৰা

মানুহ আদিতে প্ৰকৃতিৰ পূজক আছিল। প্ৰকৃতিৰ অংশীদাৰ স্বৰূপে কিছুমান শক্তিক প্ৰত্যক্ষ কৰি তেওঁলোকে পূজা কৰিছিল। সূৰ্য্য, বায়ু, বৰুণ, অগ্নি, ইন্দ্ৰ, পৰ্বত-পাহাৰ, গছ-গছনি, নদ-নদী আদিক বিশ্বাস অনুযায়ী তেওঁলোকে বিধে বিধে পূজা কৰিছিল। শ শ বছৰ অতিক্ৰম কৰাৰ পিছত আদিম ভাৰতবাসীৰ ভৌগোলিক স্থিতি, প্ৰাকৃতিক পৰিবেশ, ধৰ্মীয় বিশ্বাস, সাংস্কৃতিক ৰীতি অনুযায়ী জনগোষ্ঠীসমূহৰ উপাস্য দেৱ-দেৱী নিৰ্দিষ্ট হৈ পৰে। অসমত এনে এক প্ৰক্ৰিয়াৰ

ফলত সৃষ্টি হৈছিল শাক্ত পূজা বা শাক্ত ধৰ্মৰ। শাক্ত ধৰ্মৰ মূল উপাস্য হৈছে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী। এই দেৱীৰ বিভিন্ন ৰূপ বা নামৰ কথা পোৱা যায়। যেনে— ভগৱতী, চণ্ডী, কাত্যায়নী, চামুণ্ডা, কালী, গৌৰী, তাৰা, চণ্ডিকা, মহামায়া, দশভূজা, ষোড়শভূজা, লক্ষ্মী, সৰস্বতী আদি।

পুৰাণ শাস্ত্ৰই প্ৰমাণ দিয়ে প্ৰাগ্‌জ্যোতিষৰ ৰজা নৰকেই শক্তিৰ প্ৰথম সেৱক আছিল আৰু তেৱেই অসমত দেৱী পূজাৰ প্ৰচলন কৰিছিল। উল্লেখযোগ্য যে নৰকৰ জন্ম হৈছিল বৰাহ ৰূপী বিষ্ণুৰ ঔৰসত। সেইবাবে বিষ্ণুৱে নৰকক প্ৰাগজ্যোতিষৰ ৰজা পাতে আৰু এই বিশাল ৰাজ্য শাসন কৰিবলৈ দিয়ে। লগতে বিষ্ণুৱে নৰকক এই বুলিও নিৰ্দেশ দিয়ে— 'কামাখ্যাৰ বাহিৰে তুমি আন দেৱতাক পূজা নকৰিবা (কামাখ্যাং ত্বাং বিনা পুত্ৰ নান্যদেৱং যজিষ্যামি)। আকৌ বিষ্ণুৱে নৰকক এই বুলিও সাৱধানবাণী শুনায়— যদি এই কথাৰ ব্যতিক্ৰম ঘটে তেনেহ'লে নৰকৰ প্ৰাণনাশ হ'ব। ফলত নৰকাসুৰে শক্তিৰ একান্ত উপাসক হৈ পৰে আৰু তেওঁৰ যোগেদিয়েই অসমত শাক্ত ধৰ্মৰ উত্থান ঘটে।

কেইবাখনো বিখ্যাত তন্ত্ৰশাস্ত্ৰত ভাৰতবৰ্ষৰ চাৰিখন প্ৰাচীন শক্তিপীঠৰ ভিতৰত কামৰূপ পীঠক শ্ৰেষ্ঠ মহাপীঠ বুলি কোৱা হৈছে। বাকী তিনিখন পীঠ হ'ল পূৰ্ণগিৰি, উদ্দিয়ান আৰু জালন্ধৰ। অতি প্ৰাচীন কালৰপৰাই কামৰূপ ক্ষেত্ৰ শক্তি সাধনাৰ শ্ৰেষ্ঠ পীঠ হিচাপে স্বীকৃতি পাই আহিছে। কামাখ্যা তীৰ্থৰ মাহাত্ম্যই কামৰূপ পীঠক অতীতৰ পৰা মহত্বপূৰ্ণ কৰি ৰাখিছে। প্ৰাচীন আৰু মধ্যযুগীয় কামৰূপ তন্ত্ৰ-মন্ত্ৰ আৰু ইন্দ্ৰজাল বিদ্যাৰ বাবে বিখ্যাত আছিল। আনকি ঊনবিংশ শতিকালৈকে বাহিৰৰ মানুহে অসমক তন্ত্ৰ-মন্ত্ৰ আৰু যাদুবিদ্যাৰ কাৰণে ভয়ৰ দৃষ্টিৰে চাইছিল। মুঠতে এই কামৰূপ পীঠ তান্ত্ৰিক সংস্কৃতিৰ কেন্দ্ৰ হিচাপে ভাৰতৰ ভিতৰতে অদ্বিতীয় আছিল। *কালিকা পুৰাণ*, *যোগিনীতন্ত্ৰ*, *কুব্জিকাতন্ত্ৰ*, দেৱী ভাগৱত আদি গ্ৰন্থসমূহে কামৰূপ শক্তি সাধনা আৰু সিদ্ধি লাভৰ প্ৰশস্ত ক্ষেত্ৰ বুলি নিৰ্দেশ কৰিছে। গতিকে এনে এখন পূণ্য স্থানত দীৰ্ঘকালীনভাৱে শক্তিধৰ্ম ব্যাপকভাৱে চৰ্চিত হৈ থকাটো স্বাভাৱিক।

কালিকা পুৰাণ আৰু *যোগিনীতন্ত্ৰই* স্পষ্টভাৱে কৈছে যে কামৰূপৰ নিচিনা আৰু কোনো ঠাই নাই, যি ঠাই দেৱীৰ আৱাস স্থানৰ কাৰণে উপযুক্ত। অন্য দেশত যি দুৰ্লভা, সেই দেৱী কামৰূপৰ ঘৰে ঘৰে বিদ্যমান—

দেৱীক্ষেত্ৰং কামৰূপং বিদ্যতেহন্যন তৎসসম্।
অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে।।

*কালিকা পুৰাণ*ত আদ্যাশক্তি মহামায়াৰ বিভিন্ন ৰূপৰ বিস্তৃত বিৱৰণ, পূজা-উপাসনাৰ পদ্ধতি, শক্তি সাধনাৰ বিভিন্ন ব্যৱস্থা আদিৰ যিমান সূক্ষ্ম বৰ্ণনা দিয়া হৈছে, তাৰপৰা অনুমান কৰিব পাৰি যে *কালিকা পুৰাণ*ৰচনা কৰাৰ সময়ত (দশম-একাদশ শতিকা) বা তাৰ আগৰেপৰা অসমত শক্তিধৰ্মৰ প্ৰচলন আছিল।

ত্ৰয়োদশ শতিকাৰ চুতীয়া ৰজা ৰত্নধ্বজ শাক্ত আছিল। সেই ৰাজ্যত 'কেঁচাইখাঁতী'ৰ ৰূপত কালী দেৱীক পূজা উপাসনা কৰা হৈছিল। তাম্ৰপাতৰ মন্দিৰত অধিষ্ঠিত কাৰণে কেঁচাইখাঁতী দেৱী পৰৱৰ্তীকালত 'তাম্ৰেশ্বৰী' নামেৰে জনাজাত হয়। কেঁচাইখাঁতীৰ আগত

পশু বলি দিয়াৰ উপৰিও নৰবলি পৰ্যন্ত দিয়া হৈছিল বুলি জনা যায়। বহুকাল আগৰেপৰা কেঁচাইখাঁতী গোসানীক কছাৰীসকলেও বলি বিধানেৰে পূজা কৰি অহাৰ প্ৰমাণ কছাৰী বুৰঞ্জীত পোৱা যায়। স্বনামধন্য ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ 'তাম্ৰেশ্বৰী মন্দিৰ' নামৰ উপন্যাসখনিয়েও সেই সময়ৰ অসমত কেঁচাইখাঁতী দেৱীৰ অস্তিত্ব থকাৰ প্ৰমাণ দাঙি ধৰে।

প্ৰতাপসিংহৰ দিনত (১৬১১-১৬৪৯) মাটিৰ দুৰ্গা মূৰ্তি নিৰ্মাণ কৰি দুৰ্গা পূজা কৰাৰ নীতি প্ৰচলিত হয়। আনহাতে, আহোম ৰাজত্বকালত ৰজা শিৱ সিংহ আৰু তেওঁৰ তিনিগৰাকী ৰাণী ক্ৰমে ফুলেশ্বৰী, অম্বিকা আৰু সৰ্বেশ্বৰী ঘোৰ শাক্ত আছিল। ৰাজক্ষমতা পোৱাৰ পিছত ফুলেশ্বৰীয়ে শাক্ত ধৰ্ম প্ৰচাৰ কৰিবলৈ উঠি-পৰি লাগিছিল। তেৱেঁই ৰজাঘৰৰ পৰা দুৰ্গা পূজা পাতি শাক্ত বিৰোধী মোৱামৰীয়া সন্তসকলক বলপূৰ্বকভাৱে দেৱীৰ আগত আঁঠু লোৱাই, বলি কটা তেজৰ ফোঁট দি, প্ৰসাদ খুৱাই অপমান কৰিছিল। পৰৱৰ্তীকালত এই ঘটনাই বুৰঞ্জীখ্যাত 'মোৱামৰীয়া বিদ্ৰোহ' সৃষ্টি কৰিছিল।

এডৱাৰ্ড গেইটৰ অসম বুৰঞ্জী মতে, প্ৰথম কোচ ৰজা বিশ্বসিংহ শিৱ আৰু দুৰ্গা দুয়োৰে ভক্ত আছিল। বিশ্বসিংহই কামাখ্যা মন্দিৰ নিৰ্মাণ কৰি ইয়াৰ যথোচিত পূজা-সেৱাৰ ব্যৱস্থা কৰি দিয়ে। আনহাতে, বিশ্বসিংহৰ পুত্ৰ ন�ৰনা�ৰায়ণে কালাপাহাৰে ধ্বংস কৰি থৈ যোৱা কামাখ্যা মন্দিৰ পুনৰ নিৰ্মাণ কৰি উলিয়ায়। এইবোৰে কোচ ৰজাসকলৰ দেৱীৰ প্ৰতি থকা আস্থাৰ কথাকে সূচায়।

মধ্যযুগীয় অসমত শাক্ত ধৰ্মৰ প্ৰচলন থকাৰ প্ৰমাণ *গুৰু চৰিত*তো পোৱা যায়। শঙ্কৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰাৰ আগলৈকে মাধৱদেৱেও বলি-বিধানেৰে কৰা শক্তি পূজাত একান্ত বিশ্বাসী আছিল। শঙ্কৰদেৱ-মাধৱদেৱৰ (গুৰু-শিষ্য) 'মণিকাঞ্চন সংযোগ' নামৰ আখ্যানটোৱে শাক্ত ধৰ্মৰ প্ৰভাৱ সেই সময়ত কিমান ব্যাপক আছিল তাৰ ইঙ্গিত বহন কৰে। কথা গুৰু চৰিততে পোৱা যায় শঙ্কৰদেৱে শক্তি পূজা নকৰা বাবে তেওঁৰ বিৰুদ্ধে কিছুমান লোকে মহাৰাজ নৰনাৰায়ণৰ ওচৰত গোচৰ দিছিল।

এই সকলোবোৰ তথ্যই ইংগিত দিয়ে যে শঙ্কৰদেৱে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ আগলৈকে অসমত শাক্ত ধৰ্ম প্ৰচলিত আছিল। বাণীকান্ত কাকতিয়ে তেওঁৰ *Mother Goddess Kamakhya* নামৰ গ্ৰন্থত দেৱীপূজা, ***বামাচাৰী পূজা, কৌলচাৰ,*** কৈৰাতধৰ্ম আৰু কৈৰাতিক অনুষ্ঠান আদিৰ বিষয়ে আলোচনা কৰি অসমত শাক্ত ধৰ্মৰ প্ৰাধান্যকে দেখুৱাইছে।

ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা অসমত দেৱী পূজাই পুনৰ জনপ্ৰিয়তা লাভ কৰিবলৈ ধৰিলে। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি অসম ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনলৈ যোৱাৰ ফলত অসমত চাকৰি কৰিবলৈ অহা চুবুৰীয়া বাংলা ভাষী বংগদেশৰ লোকসকলে অসমত শক্তি পূজাক পুনৰ জনপ্ৰিয় কৰি তুলিলে।



বামাচাৰ ঃ বেদ বিৰুদ্ধ পন্থা আৰু এই পন্থাৰে অনুষ্ঠিত কৰা পূজা। এনে পূজাত মদ অপৰিহাৰ্য। বামাচাৰী পূজাত সিদ্ধি লাভ কৰিবলৈ সাধকে স্ত্ৰীৰ সংসৰ্গ লাভ কৰিব লাগিব, তেতিয়াহে পূজা ভাগ সাৰ্থক হয়।

কৌলাচাৰ ঃ এটা সাধন মাৰ্গ বিশেষ। ইয়াত কুলাচাৰী মন্ত্ৰাচাৰীসকলে মদ, মাংস আৰু তিৰোতাৰ লগত সাধন-ভজন কৰিব লাগে। কৌলাচাৰীসকলে মদ, মাছ, মাংস, ভূচৰ, খেচৰ, জলচৰ সকলো জন্তু ভক্ষণ কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অসমত প্ৰাচীন কালৰে পৰা প্ৰচলন থকা শক্তি উপাসনাৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

(১৫০টা শব্দৰ ভিতৰত লিখক)



চিন্তা-চৰ্চা কৰক ৮.১

অধিক জানিবলৈত উল্লেখ থকা কিতাপসমূহৰ জৰিয়তে অসমৰ শৈৰ আৰু শাক্ত সাহিত্যৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰাৰ লগতে অসমৰ বিভিন্ন ঠাইত থকা মঠ-মন্দিৰসমূহৰ এখন তালিকা প্ৰস্তুত কৰক ।

৮.৭ দেৱীৰ বিভিন্ন ৰূপ

কালিকা পুৰাণে এক শক্তি বা দেৱীক সতী, পাৰ্বতী, দুৰ্গা, কামাখ্যা, ত্ৰিপুৰা, কেঁচাইখাঁতী, তাম্ৰেশ্বৰী, উগ্ৰতাৰা আদি অনেক ৰূপ দিলে। *কালিকা পুৰাণে* দেৱীৰ বহু ৰূপৰ জন্ম দিলেও প্ৰধানভাৱে চাৰিটা ৰূপকহে অধিক গুৰুত্ব দিলে। এই চাৰিটা ৰূপ হ'ল— মাতৃ ৰূপী কামাখ্যা, পত্নী ৰূপী পাৰ্বতী, কুমাৰী ৰূপী ত্ৰিপুৰা সুন্দৰী আৰু সংহাৰ ৰূপিনী কেঁচাইখাঁতী তাম্ৰেশ্বৰী। *কালিকা পুৰাণৰ* এই চাৰিটাৰ ৰূপ দুটা ভাগত আলোচনা কৰিব পাৰি। প্ৰথমটো ভাগত পৰে মাতৃ ৰূপে কামাখ্যা, পত্নী ৰূপে পাৰ্বতী আৰু কুমাৰী ৰূপী ত্ৰিপুৰা সুন্দৰী। দ্বিতীয়টো ভাগত থাকিল কেৱল সংহাৰ ৰূপিনী কেঁচাইখাঁতী তাম্ৰেশ্বৰী। এই ভাগ দুটাৰ পৰা স্পষ্ট হৈ পৰে যে প্ৰথমটো ভাগৰ তিনিটা ৰূপ মাতৃ, পত্নী আৰু কুমাৰী সুন্দৰৰ প্ৰতীক আৰু দ্বিতীয় ভাগৰ কেঁচাইখাঁতী তাম্ৰেশ্বৰী ৰূপটো ভয়াবহতাৰ প্ৰতীক। একালত নাৰীৰ শান্তিদায়িনী ৰূপৰ প্ৰতীক ৰূপেই মাতৃ, পত্নী আৰু কুমাৰী ৰূপত শক্তিক উপাসনা কৰা হৈছিল। তাৰ বিপৰীতে শান্তি ভঙ্গ কৰিব পৰা যিকোনো অশুভ শক্তিক বিতাৰিত কৰিবলৈ শুভ শক্তিৰ প্ৰতীক ৰূপত কেঁচাইখাঁতী তাম্ৰেশ্বৰীক পূজা কৰাৰ ব্যৱস্থা আছিল।

কামাখ্যা দেৱীৰ দুটা বেলেগ ৰূপৰ কল্পনা কালিকা পুৰাণে কৰিছে— এটা সংহাৰ মূৰ্তি আনটো সম্ভোগ মূৰ্তি। সংহাৰ মূৰ্তিত দেৱীয়ে হাতত খৰ্গ লৈ মৰাশৰ ওপৰত অৱস্থান কৰে আৰু সম্ভোগ মূৰ্তিত হাতত ফুলৰ মালা লয় আৰু ৰঙা পদ্মফুলৰ ওপৰত আসন লয়।

হিন্দু শাস্ত্ৰ আৰু তন্ত্ৰত এই শক্তিক দেৱী আখ্যা দি দেৱতাৰ সঙ্গিনী ৰূপেও কল্পনা কৰা হৈছে। ত্ৰিমূৰ্তিৰ প্ৰত্যেকৰে ভাৰ্যা একোগৰাকী শক্তি। ব্ৰহ্মাৰ সৰস্বতী, বিষ্ণুৰ লক্ষ্মী আৰু শিৱৰ শক্তি পাৰ্বতী। আনহাতে, দুৰ্গাই ৰক্তবীজৰ লগত যুদ্ধ কৰাৰ সময়ত নিজৰ শৰীৰৰ পৰা তেওঁৰ অনুৰূপ সাতগৰাকী দেৱীৰ সৃষ্টি কৰিছিল। এই সাতগৰাকী দেৱীক 'সপ্তমাতৃকা' আখ্যা দিয়া হয়। এওঁলোক হ'ল— ব্ৰাহ্মী (ব্ৰাহ্মণী), মহেশ্বৰী, কুমাৰী, বৈষ্ণৱী, বাৰাহী, নৰসিংহী আৰু

ঐন্দ্ৰী (ইন্দ্ৰানী) নামৰ পৰা বুজিব পাৰি যে এওঁলোক যথাক্ৰমে ব্ৰহ্মা, ঈশ্বৰ, কুমাৰ, বিষ্ণু, বৰাহ, নৰসিংহ আৰু ইন্দ্ৰৰ শক্তি। যিহেতু দেৱী নিজে দেৱতাসকলৰ সন্মিলিত শক্তিৰ স্বৰূপ, গতিকে সপ্তমাতৃকাৰ ধাৰণা আমাৰ বাবে বোধগম্য নহয়।

তন্ত্ৰ শাস্ত্ৰত শক্তিৰ দহোটা স্বৰূপৰ বৰ্ণনা পোৱা যায়। এই দহোটা স্বৰূপকে 'দশমহাবিদ্যা' আখ্যা দিয়া হয়। এই দহোটা স্বৰূপ হ'ল— কালী, তাৰা, ষোড়শী, ভূৱনেশ্বৰী, ভৈৰৱী, ছিন্নমস্তা, ধূমাৱতী, বগলা, মাতঙ্গী আৰু কমলা। এনেদৰে আলোচনা কৰিলে দেৱী বা শক্তিৰ বিভিন্ন ৰূপৰ কথা জানিব পাৰি।

৮.৮ জনজাতীয় আৰু আহোম সমাজত শৈৱ ধৰ্ম

অসমৰ জনজাতিসকলৰ মাজত শিৱ অতি জনপ্ৰিয় দেৱতা। বহু জনজাতিয়ে নিজকে শিৱৰ বংশধৰ বুলি বিশ্বাস তথা গৌৰৱবোধ কৰে। বড়ো-কছাৰীসকল বৃহৎ মঙ্গোলীয় গোষ্ঠীৰ লোক। তেওঁলোক কিৰাত সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। পৌৰাণিক আখ্যানৰ পৰা জনা যায় যে 'বাথৌ শিব্ৰাই'ৰ পৰা বড়ো-কছাৰীসকলৰ উৎপত্তি হৈছে। কছাৰী বুৰঞ্জীৰ মতেও কছাৰীসকলৰ পিতৃ দেৱতা শিৱ। বড়ো-কছাৰীসকলৰ মাজত এই গৰাকী দেৱতা শিৱ, গিলা, দামব্ৰা, খৌৰিয়া, বৌৰায়-শ্ৰীবৌৰায় (ছিব্ৰায়), বাথৌ-বৌৰায় আদি নামেৰে পৰিচিত।

ত্ৰিপুৰাৰ ৰজাসকলেও নিজকে শিৱৰ বংশধৰ বুলি বিশ্বাস কৰে। চুতীয়া-বৰাহীসকলৰ মাজত শিৱ দেৱতা 'বুঢ়া' আৰু পাৰ্বতী 'বুঢ়ী' ৰূপে পৰিচিত। সেইদৰে দেউৰী-চুতীয়াসকলৰ মাজত শিৱ আৰু পাৰ্বতী ক্ৰমে 'গিৰা-গিৰাচি' ৰূপে পূজিত হৈ আহিছে। ডিমাছা লোকমানসে বিশ্বাস কৰে যে সৃষ্টিকৰ্তা বাংলা ৰাজা আৰু তেওঁৰ পত্নী আড়িখীডিমাৰ পৰা ব্ৰাই-শিব্ৰাই-দেৱতাৰ জন্ম হৈছে। তেওঁলোকৰ দৃষ্টিত ব্ৰাই-শিব্ৰাই দেৱাদিদেৱ বা সৰ্বেসৰ্বা। তিফ্ৰাসকলৰ প্ৰধান উপাস্য দেৱ-দেৱী— শিৱ-পাৰ্বতী। তিৱা (লালুং) সকলেও মহাদেৱ আৰু পাৰ্বতীক প্ৰধান উপাস্য দেৱ-দেৱী ৰূপে পূজা অৰ্চনা কৰে। ৰাভাসকলৰ মাজত শিৱ দেৱতা লাঙা মাৰা বা লাঙা দেৱতা ৰূপে পূজিত হৈ আহিছে। তেওঁলোকে ৰণ্‌জুমুক অৰ্থাৎ শিল এচটাক লাঙা ৰাজাৰ প্ৰতীক স্বৰূপে পূজা কৰে। দৰাচলতে ই এক প্ৰকাৰ লিঙ্গপূজা। সোণোৱাল কছাৰীসকলে শিৱ দেৱতাক খিৰিংৰজা বা বাইথ ৰূপে উপাসনা কৰে। দেউৰী-চুতীয়াসকলৰ দৃষ্টিত শিৱ দেৱতাই কুণ্ডিমামা, গিৰা, বুঢ়া বা বলিয়াবাবা। কাৰ্বিসকলে এই গৰাকী দেৱতাক মহাদাই (মহাদেৱ) হিচাপে উপাসনা কৰে। মণিপুৰৰ আদিম অধিবাসীসকল শিৱ-উমাৰ পূজক। তেওঁলোকে শিৱ আৰু উমাক ক্ৰমে 'নম্পক-নিংথৌ' আৰু 'পান্থইবি' ৰূপত পূজা কৰে। অসমৰ জনজাতিসকলে শিৱ পূজাত মাদল বজাই, দেওধাই নৃত্যৰ আয়োজন কৰি, পূজাৰ সম্ভাৰ হিচাপে হাঁহ, পাৰ, কুকুৰা, ছাগলী, মদ আদি আগবঢ়ায়। কোনো কোনো জনজাতিয়ে সিজু গছক শিৱৰ প্ৰতীক হিচাপেও গণ্য কৰে।

ইফালে আহোম স্বৰ্গদেউসকলে নিজকে ইন্দ্ৰবংশী বুলি বিশ্বাস কৰিলেও শিৱৰ প্ৰতি তেওঁলোকৰ গভীৰ ভক্তি আছিল। আহোমসকলে শিৱক সাধাৰণতে বুঢ়াগোঁসাই বা বুঢ়া ডাঙৰীয়া

ৰূপে উপাসনা কৰিছিল। আহোমসকলে অসমত ভৰি দিয়াৰ পূৰ্বৰেপৰা এই দেশত শিৱই আৰাধ্য দেৱতা ৰূপে স্থান লাভ কৰি আছিল। বিশেষকৈ অসমৰ বিভিন্ন জনজাতিৰ মাজত শিৱই সন্মানপূৰ্বক পূজনীয় দেৱতা হিচাপে প্ৰতিষ্ঠা লাভ কৰি আছিল। আহোমসকলৰ আগমনৰ পিছত শিৱ উপাসক সেই জনজাতীয় সংস্কৃতিৰ লগত আহোমৰ সাংস্কৃতিক সমন্বয়ৰ ফলত এসময়ৰ 'চোমদেৱ'ৰ উপাসক আহোমসকল শিৱৰ উপাসক হৈ পৰে। আহোমসকলৰ ধৰ্মীয় জীৱনত শিৱ দেৱতাই যে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল তাৰ প্ৰমাণ পোৱা যায় শিৱৰ মঙ্গলাচৰণেৰে আৰম্ভ হোৱা এখন বুৰঞ্জীৰ পৰা। *সাতসৰী অসম বুৰঞ্জী*ৰ প্ৰথমখন 'শিৱায়ে নমঃ' বুলি শিৱ প্ৰশস্তিৰে আৰম্ভ হৈছে। ধৰ্মীয় বিশ্বাসৰ ফালৰ পৰা চৰাইদেউ পাহাৰ প্ৰাক্-আহোম যুগৰ পৰা পৱিত্ৰ তীৰ্থস্থান ৰূপে পৰিগণিত আছিল। আহোমসকলৰ প্ৰথম গৰাকী স্বৰ্গদেউ চুকাফা শিৱৰ উপাসক আছিল। সূৰ্য্যকুমাৰ ভূঞাৰ দ্বাৰা সম্পাদিত 'সাতসৰী অসম বুৰঞ্জী' মতে দিহিঙীয়া বা স্বৰ্গনাৰায়ণ ৰজাই মহাদেৱ গোসাঁইক বলি-বিধানেৰে পূজা কৰিছিল। আনহাতে, স্বৰ্গদেউ প্ৰতাপ সিংহই হিন্দু মতে শিৱ পূজা কৰিছিল। চুছেনফা স্বৰ্গদেৱে দৰঙৰ নাগশঙ্কৰ মন্দিৰ পুনৰ নিৰ্মাণ কৰাইছিল। প্ৰতাপ সিংহই ৰাজপাটত উঠি 'মহেশ্বৰ ঘৰ' নামে এটা শিৱ মন্দিৰ নিৰ্মাণ কৰায়। এই গৰাকী স্বৰ্গদেৱৰ ৰাজত্ব কালৰেপৰা 'শিৱদ'ল'ৰ প্ৰচলন হয়। প্ৰতাপ সিংহই নেঘেৰীটিঙত শিৱ মন্দিৰ নিৰ্মাণ কৰাইছিল। তেওঁ এই মন্দিৰতেই 'বান-লিঙ্গ' প্ৰতিষ্ঠা কৰে। মহেশ্বৰ নেওগে 'পৱিত্ৰ অসম' গ্ৰন্থত উল্লেখ কৰা অনুযায়ী নেঘেৰীটিঙৰ বান লিঙ্গৰনিৰ্মালি গ্ৰহণ নকৰাকৈ স্বৰ্গদেউসকলে কেতিয়াও দুপৰীয়াৰ আহাৰ গ্ৰহণ নকৰিছিল। তদুপৰি যুদ্ধলৈ যাত্ৰা কৰাৰ আগমুহূৰ্তত আহোম ৰজাসকলে অনেক সম্ভাৱেৰে স্তুতি-স্তোত্ৰ কৰি মহেশক পূজা-অৰ্চনা কৰিছিল। গদাধৰ সিংহৰ নিৰ্দেশ মৰ্মে গড়গওঁ সন্দিকৈ ৰৰফুকনে উমানন্দ মন্দিৰ নিৰ্মাণ কৰায়। ৰুদ্ৰসিংহ আৰু তেওঁৰ পুত্ৰ শিৱ সিংহ উভয়ে শিৱৰ ভক্ত আছিল। শিৱ সিংহই নীলাচলৰ (সিদ্ধেশ্বৰ) আৰু কামেশ্বৰ শিৱ মন্দিৰ, দেৰগাঁৱৰ শিৱ দ'ল, উমানন্দ আদিত ভূমিদান দি শিলালিপি প্ৰদান কৰিছিল। ৰুদ্ৰ সিংহই শিৱৰ মাহাত্ম্য প্ৰকাশক 'শিৱ পুৰাণ' নামৰ গ্ৰন্থখনি ৰচনা কৰে। এইখনেই শিৱৰ মাহাত্ম্য প্ৰকাশক একমাত্ৰ পুথি। পৰৱৰ্তী ৰজা ৰাজেশ্বৰ সিংহই বশিষ্ঠাশ্ৰম, চিত্ৰাচল, মণিকৰ্ণেশ্বৰত শিৱ মন্দিৰ নিৰ্মাণ কৰায়। আহোম স্বৰ্গদেউসকলৰ মুদ্ৰাসমূহৰ পৰাও অনুমান কৰিব পাৰি যে তেওঁলোক শৈৱ ৰীতিৰ সমৰ্থক আছিল। এনেবোৰ কথাই প্ৰমাণ কৰে যে আহোমসকলৰ ৰাজত্ব কালত বা ৰজাসকল শিৱৰ একান্ত ভক্ত আছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ অসমৰ কোন কেইটা জনজাতিয়ে শিৱক পূজা কৰে? সেই জনজাতিসমূহে শিৱক কি কি নামেৰে সম্বোধন কৰে? চমুকৈ লিখক। (৭৫টা শব্দৰ ভিতৰত লিখক)

৮.৯ অসমত বৈষ্ণৱ ধৰ্মৰ পৰম্পৰা

খৃষ্টীয় পঞ্চদশ শতিকাৰ আশ-পাশৰ সময়খিনি কেৱল অসমৰ কাৰণেই যুগান্তকাৰী নহয়, সমগ্ৰ ভাৰতবৰ্ষৰ কাৰণেই আলোড়নকাৰী। এই আলোড়ন সৃষ্টি কৰিছিল সমগ্ৰ ভাৰতবৰ্ষ জুৰি হোৱা নৱ-বৈষ্ণৱ ধৰ্মৰ আন্দোলনে। ইউৰোপত ৰেঁনেছা অৰ্থাৎ নৱজাগৰণৰ ইতিহাসৰ লগত যেনেকৈ মাৰ্টিন লুথাৰৰ প্ৰোটেষ্টাণ্ট ধৰ্মৰ প্ৰৱৰ্তন আৰু প্ৰাচীন গ্ৰীক, লেটিন ক্লাচিকেল সাহিত্য আৰু কলাৰ পুনৰ অধ্যয়নৰ প্ৰভাৱ জড়িত হৈ আছে, তেনেকৈ প্ৰায় একে সময়তেই বৈষ্ণৱ আন্দোলন আৰু ভক্তি ধৰ্মক কেন্দ্ৰ কৰি ভাৰতত সাংস্কৃতিক পুনৰ অভ্যুদয় ঘটিছিল।

বহুতৰে ধাৰণা যে অসমত আগেয়ে শৈৱ আৰু শাক্ত ধৰ্মহে চলিছিল, বৈষ্ণৱ ধৰ্ম নাছিল। শঙ্কৰদেৱেহে অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তন কৰে বুলি বহুতৰে ধাৰণা। কিন্তু এই ধাৰণা ভুল। মহাপুৰুষ শঙ্কৰদেৱৰ কেইবাশ বছৰৰ আগৰে পৰাই যে অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচলন আছিল তাৰ বিভিন্ন প্ৰমাণ পোৱা যায়। বৈষ্ণৱ ধৰ্মৰ আঁতি-গুৰি বিচাৰিবলৈ হ'লে আমি খ্ৰীঃপূঃ কেইবা শতিকাৰ আগলৈ উজাই যাব লাগিব। বৈষ্ণৱ ধৰ্মৰ মূল উপাস্য দেৱতা গৰাকী হ'ল বিষ্ণু। বিষ্ণুক উপাসনা কৰা বাবেই এই ধৰ্মটোৰ নাম বৈষ্ণৱ (বিষ্ণু > বৈষ্ণৱ)। বিষ্ণু বৈদিক দেৱতা। বেদত তেওঁ সূৰ্যৰে এক অভিব্যক্তি। এই বিষ্ণুৱেই কালক্ৰমত সাত্বতসকলৰ বাসুদেৱ, পাঞ্চৰাত্ৰসকলৰ নাৰায়ণ, আভীৰ বালকসকলৰ গোপাল— কৃষ্ণৰ লগত অভেদ হৈ শ্ৰেষ্ঠ দেৱতা ৰূপে গণ্য হ'বলৈ ধৰে। খৃঃপূঃ পঞ্চম শতিকাৰ পাণিনিৰ 'অষ্টাধ্যায়ী'ৰ পৰা আৰম্ভ কৰি বিভিন্ন যুগৰ নানা সাহিত্য, শাস্ত্ৰ, প্ৰত্নলিপিত বিষ্ণু নাৰায়ণ আৰু বৈষ্ণৱ সম্প্ৰদায়ৰ উল্লেখ পোৱা যায়। মহাভাৰতকে প্ৰমুখ্য কৰি নানা পু�ৰাণ আৰু সংহিতা বৈষ্ণৱ ধৰ্মৰ সাধন পদ্ধতি আৰু মাহাত্ম্য প্ৰচাৰৰ উদ্দেশ্যে ৰচনা কৰা হয়। মহাভাৰতৰ 'শ্ৰীমদ্ভাগৱত-গীতা' আৰু শান্তিপৰ্বৰ 'নাৰায়ণীয় আখ্যান'ত বৈষ্ণৱ ভক্তিপন্থৰ বিশেষ বিৱৰণ পোৱা যায়। খৃঃপূঃ চতুৰ্থ শতিকাৰ পৰৱৰ্তীকালৰ বহুতো প্ৰত্নলিপিতো বাসুদেৱ, বিষ্ণু আদি বৈষ্ণৱ দেৱতাৰ নাম পোৱা যায়।


নগাঁৱৰ ৰৱগঙ্গা শিলালিপিত (৫৫৩-৫৫৪) কামৰূপৰ ৰজা ভূতিবর্মাই নিজকে বিষ্ণুৰ পৰম ভক্ত বুলি পৰিচয় দিছে। ইয়াৰপৰা অনুমান কৰিব পাৰি যে ষষ্ঠ শতিকাতেই অসমত বৈষ্ণৱ ধৰ্মৰ অস্তিত্ব আছিল। বাণভট্টৰ 'হর্ষ চৰিত'ত কামৰূপৰ ৰজা ভাস্কৰ বর্মাক বিষ্ণুৰ বংশধৰ বোলা হৈছে। দ্বাদশ শতিকাৰ কামৰূপৰ ৰজা ধৰ্মপালৰ পুষ্পভদ্ৰা শিলালিপিত বিষ্ণুলৈ ভক্তি প্ৰদৰ্শন কৰা হৈছে। এইবোৰৰ উপৰি বিষ্ণুৰ অস্তিত্ব থকা বিভিন্ন মূৰ্তিবোৰেও বৈষ্ণৱ ধৰ্মৰ প্ৰাচীনত্বৰ ইঙ্গিত দিয়ে। যেনে— শুক্ৰেশ্বৰত থকা অষ্টম-নৱম শতিকাৰ নাৰায়ণ মূৰ্তি, অশ্বক্লান্তত প্ৰাপ্ত দ্বাদশ শতিকাৰ অনন্তশয়ী বিষ্ণুমূৰ্তি, দেওপানীত পোৱা বিষ্ণুমূৰ্তি আদিৰ উপৰি গোঁসাইজুৰি, নগাঁও, মহাদেউ শাল আদিত বিভিন্ন ভঙ্গীৰ বিষ্ণুমূৰ্তি পোৱা গৈছে। এইবোৰৰ পৰা অনুমান কৰিব পাৰি যে ষষ্ঠ শতিকামানৰ পৰাই অসমত বিষ্ণু পূজাৰ প্ৰচলন আছিল। প্ৰথম অৱস্থাত বৈষ্ণৱ ধৰ্মক 'তান্ত্ৰিক বৈষ্ণৱ ধৰ্ম' বুলিহে কোৱা হৈছিল। অৰ্থাৎ শঙ্কৰদেৱৰ আবির্ভাৱৰ আগতে বৈষ্ণৱ ধৰ্মৰ লগত তন্ত্ৰ-মন্ত্ৰ আদিও জড়িত হৈ আছিল।

এইদৰে প্ৰাচীন কালৰে পৰা অসমত বৈষ্ণৱ ধৰ্ম প্ৰচলিত হৈ আহিছিল যদিও শাক্ত আৰু শৈৱ ধৰ্মও সমানেই প্ৰচলিত হৈ থকাত এই ধৰ্মই ব্যাপকতা লাভ কৰিব পৰা নাছিল। ষষ্ঠ শতিকাত দাক্ষিণাত্যত সূত্ৰপাত হোৱা ভক্তি আন্দোলন ভাৰতবৰ্ষৰ চুকে-কোণে প্ৰভাৱ বিস্তাৰ কৰি পঞ্চদশ শতিকাত অসমত প্ৰৱেশ কৰিলে। শঙ্কৰদেৱে ভাৰতীয় ভক্তি আন্দোলনৰ পটভূমিত পূৰ্ব প্ৰচলিত বৈষ্ণৱ ধৰ্মক এক নতুন ৰূপত সজাই পৰাই তুলিলে। ফলত পূৰ্বৰ বৈষ্ণৱ ধৰ্মত থকা তন্ত্ৰ-মন্ত্ৰ, বলি-বিধান, যাগ-যজ্ঞ আদিৰ ঠাই একশৰণ নাম ধৰ্মই অধিকাৰ কৰি ল'লে। সেইবাবে মহাপুৰুষ শঙ্কৰদেৱ প্ৰৱৰ্তিত ধৰ্মটোক 'নৱ-বৈষ্ণৱ ধৰ্ম' বুলি কোৱা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ অসমত প্ৰাচীন কালৰ পৰা চলি অহা বৈষ্ণৱ ধৰ্মৰ পৰম্পৰাৰ বিষয়ে চমুকৈ লিখক।(১৫০টা শব্দৰ ভিতৰত লিখক)



চিন্তা-চৰ্চা কৰক ৮.২

অধিক জানিবলৈত উল্লেখ থকা কিতাপসমূহৰ জৰিয়তে অসমৰ নৱ-বৈষ্ণৱ ধৰ্মৰ মূল ভিত্তিসমূহৰ লগতে নৱ-বৈষ্ণৱ সাহিত্যৰাজিৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।



৮.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- হিন্দু ধৰ্ম হিচাপে অতি প্ৰাচীন কালৰেপৰা অসমত শৈৱ, শাক্ত আৰু বৈষ্ণৱ এই তিনিটা ধৰ্ম সমান্তৰালভাৱে চলি আহিছে।
- শঙ্কৰদেৱে নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ আগৰে পৰাই অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচলন থকাৰ কথা প্ৰমাণ পোৱা যায়। অৱশ্যে শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ আগতে অসমত প্ৰচলিত বৈষ্ণৱ ধৰ্মৰ লগত তন্ত্ৰ-মন্ত্ৰ আদিও জড়িত হৈ আছিল।
- পোন প্ৰথমে নৰকাসুৰে অসমত দেৱী পূজা বা শাক্ত ধৰ্মৰ প্ৰচলন কৰে। নৰকাসুৰৰ আগমনৰ আগলৈকে অসমত শৈৱ ধৰ্মৰ প্ৰচলন আছিল।
- অসমৰ বহু জনজাতিয়ে নিজকে শিৱৰ বংশধৰ বুলি বিশ্বাস কৰে। সেইবাবে জনজাতীয় সমাজত শিৱ বৰ জনপ্ৰিয় দেৱতা। ভগদত্ত, বাণাসুৰ আদিৰ উপৰিও আহোম আৰু কোচ ৰজাসকলে শিৱৰ উপাসক আছিল।
- অসমত শাক্ত ধৰ্মৰ জনপ্ৰিয়তা বা প্ৰচলনো ব্যাপকভাৱে আছিল। সেইবাবে কোৱা হয় 'অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে।'

- শাক্ত ধৰ্মত দেৱীৰ সংখ্যা অনেক। বহু ৰূপত দেৱী বা শক্তিক কল্পনা কৰা হয়। আনহাতে, 'কামৰূপ-কামাখ্যা' ভাৰতবৰ্ষৰ ভিতৰতে শ্ৰেষ্ঠ পীঠ হিচাপে স্বীকৃতি পাই আহিছে।



৮.১১ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) বৰদলৈ, নিৰ্মলপ্ৰভা (১৯৯৭); *শিৱ;* গুৱাহাটী ঃ সাহিত্য প্ৰকাশ।

৩) বৰদলৈ, নিৰ্মলপ্ৰভা (১৯৯৫); *দেৱী* ; গুৱাহাটী ঃ সাহিত্য প্ৰকাশ।

৪) শৰ্মা, নবীনচন্দ্ৰ (১৯৮৬); *শিৱ পুৰাণ;* পাণবজাৰ, গুৱাহাটী ঃ বাণী প্ৰকাশ।

৫) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৮৮); *পুৰণি সাহিত্য অধ্যয়ন;* পাণবজাৰ, গুৱাহাটী ঃ বাণী প্ৰকাশ।

৫) হাজৰিকা, পৰীক্ষিত (১৯৯৫); *শ্ৰীশ্ৰীচণ্ডী;* গুৱাহাটী ঃ ডালিমী প্ৰকাশন।

৬) নেওগ, মহেশ্বৰ (সম্পাঃ) (২০০৬); *বাণীকান্ত ৰচনাৱলী;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

ইংৰাজী গ্ৰন্থ ঃ

৭) Kakati, Bani Kanta (1967); *Mother Goddess Kamakhya*; Panbazar Guwahati: Lawyers Book Stall.

৮) Neog, Maheswar (1984); *Religious of North East.* Munshiram Manoharlal Publication Pvt. Ltd.



৮.১২ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ অসমত শৈৱ ধৰ্মৰ প্ৰচলনৰ লগত জড়িত বিভিন্ন ঐতিহাসিক আৰু অন্যান্য সমল... ...বৈদিক শিৱৰ লগত অসমত প্ৰচলিত শৈৱ ধৰ্মৰ শিৱৰ কিবা পাৰ্থক্য আছিলনে... ...এই ধৰ্মই অসমত কেনে ৰূপ পৰিগ্ৰহ কৰিছিল... ...অসমত এই ধৰ্মৰ ঐতিহাসিক ক্ৰমবিকাশ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পাঠত উল্লেখ থকা শিৱৰ নামসমূহৰ কেইটামানৰ উল্লেখ... ...শিৱক উভয় নিৰামিষ আৰু আমিষ ভোগ প্ৰদানেৰে উপাসনা কৰা হয়... ...দুয়োটা পদ্ধতিৰ চমু পৰিচয়, পাৰিলে উদাহৰণসহ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ শাক্ত উপাসনা মানে কি... ...অসমৰ ক'ত ক'ত এই পৰম্পৰাৰ প্ৰচলন আছে... ...এই ধৰ্মই অসমত কেনে ৰূপ পৰিগ্ৰহ কৰিছিল... ...অসমত এই ধৰ্মৰ ঐতিহাসিক ক্ৰমবিকাশ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অসমৰ কোন কোন জনগোষ্ঠীৰ মাজত শিৱ পূজাৰ পৰম্পৰা আছে... ...সেই জনজাতি কেইটাৰ নামৰ উল্লেখ... ...জাতি ভেদে শিৱৰ নাম কি কি তাৰ উল্লেখ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অসমত বৈষ্ণৱ ধৰ্ম ধৰ্মৰ প্ৰচলনৰ লগত জড়িত বিভিন্ন ঐতিহাসিক আৰু অন্যান্য সমলৰ উল্লেখ... ... এই ধৰ্মই সেই সময়ৰ অসমত কেনে ৰূপ পৰিগ্ৰহ কৰিছিল... ...অসমত এই ধৰ্মৰ ঐতিহাসিক ক্ৰমবিকাশ।



৮.১৩ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমত বৈষ্ণৱ ধৰ্মৰ পৰম্পৰা-- এই বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ অসমত শৈৱ ধৰ্ম প্ৰচলন থকাৰ বিষয়ে কি কি প্ৰমাণ পোৱা যায় বিচাৰ কৰক।

প্ৰশ্ন ৩ ঃ অসমৰ জনজাতি আৰু আহোমসকলৰ মাজত শৈৱ ধৰ্মৰ কেনেদৰে প্ৰচলন আছে সেই সম্বন্ধে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ শিৱৰ উপাসনা পদ্ধতি সম্বন্ধে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ অসমৰ শাক্ত ধৰ্মৰ ইতিহাস সম্বন্ধে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৬ ঃ 'অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে'— এই কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰক।

প্ৰশ্ন ৭ ঃ দেৱী বা শক্তিৰ কি কি ৰূপৰ কল্পনা কৰা হয় উল্লেখ কৰক।

প্ৰশ্ন ৮ ঃ চমু পৰিচয় দিয়ক—

সপ্তমাতৃকা, দশমহাবিদ্যা, নৰকাসুৰ, *কালিকাপুৰাণ*, *যোগিনীতন্ত্ৰ*, ভগ-শিশ্ন-পূজা, কৈৰাত ধৰ্ম, নৰবলি, কুমাৰী পূজা, বামাচাৰী পূজা, দেৱীৰ সংহাৰ-মূৰ্তি

*** ***** ***